# Regional News Unit
# Akashvani :: Guwahati
## 0000000000

**Date : 27-07-2024**

**Time : 18-45 Hrs**

## Assamese  Evening Bulletin

**::::::::::::::::::::::::::::::::**

১। বিকশিত ভাৰত, ২০৪৭ প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে মহৎ আকাংক্ষাস্বৰূপ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নীতি আয়োগৰ নৰম পৰিচালন পৰিষদৰ বৈঠকত মন্তব্য।

২। প্ৰধানমন্ত্ৰীৰ কাইলৈ দিনৰ ১১ বজাত আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময়।

৩। কৃষিক্ষেত্ৰত জৈৱিক সাৰ প্ৰয়োগৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে কৃষিকৰ্মৰে দেশৰ অৰ্থনীতি টনকীয়াল কৰিবলৈ ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াৰ যুৱপ্ৰজন্মলৈ আহ্বান।

৪। শ্ৰীলংকাৰ পাল্লেকলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত আজি ভাৰত আৰু শ্ৰীলংকাৰ মাজত টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল। *আৰু*

৫। মহিলাৰ টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ভাৰত, শ্ৰীলংকাৰ মুখামুখি।

০০০

বিকশিত ভাৰত, ২০৪৭ প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে মহৎ আকাংক্ষাস্বৰূপ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন্তব্য কৰিছে। নীতি আয়োগৰ নৰম পৰিচালন পৰিষদৰ বৈঠকত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ৰাজ্যসমূহে এই লক্ষ্যত উপনীত হ'বৰ বাবে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পাৰে, কিয়নো ৰাজ্যসমূহ প্ৰত্যক্ষভাৱে জনসাধাৰণৰ সৈতে জড়িত হৈ থাকে। শ্ৰী মোদীয়ে লগতে চলিত দশকটো পৰিৱৰ্তন, প্ৰযুক্তিগত আৰু ভূৰাজনৈতিক সম্পৰ্কৰ সময়। বুলি অভিহিত কৰে। ভাৰতক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবে, বিকশিত ভাৰত ২০৪৭ প্ৰগতিৰ দিশে এটা খোজ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়  যে, ভাৰত এতিয়া উন্নতিৰ সঠিক দিশেৰে আগবাঢ়ি গৈছে। দেশবাসী এতিয়া উৎসাহ আৰু আত্মবিশ্বাসেৰে ভৰপূৰ হৈ আছে। বিকশিত ভাৰত ২০৪৭ৰ সপোন সকলো ৰাজ্যৰ

ঐক্যবদ্ধ প্ৰচেষ্টাত পূৰণ কৰিব পৰা যাব বুলিও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ লগতে বিকশিত ৰাজ্যসমূহে বিকশিত ভাৰতৰ নিৰ্মাণ সম্ভৱপৰ কৰি তুলিব বুলি আশা প্ৰকাশ কৰে। ভাৰত এখন যুৱ শক্তিৰে পৰিপূৰ্ণ হৈ থকা দেশ আৰু ইয়াৰ কৰ্মশক্তিৰ বাবে সমগ্ৰ বিশ্বৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। সেয়ে ভাৰত চৰকাৰে দেশখনৰ যুৱ শক্তিক দক্ষ আৰু নিয়োগযোগ্য কৰ্মশক্তি হিচাপে গঢ়ি তোলাৰ লক্ষ্য গ্ৰহণ কৰিছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয় যে, বিকশিত ভাৰত, ২০৪৭ৰ লক্ষ্য স্পৰ্শ কৰিবলৈ দক্ষতা, গৱেষণা, উদ্ভাৱন আৰু কৌশলভিত্তিক জ্ঞানৰ অতি প্ৰয়োজন।

উল্লেখযোগ্য যে, নীতি আয়োগৰ নৱম পৰিচালন পৰিষদৰ বৈঠকখন নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ সাংস্কৃতিক কেন্দ্ৰত আজি অনুষ্ঠিত হৈ যায়। নীতি আয়োগৰ অধ্যক্ষৰ দায়িত্বতো থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বৈঠকৰ পৰিচালনা কৰে। ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকল আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ উপ-ৰাজ্যপালসকলৰ লগতে কেন্দ্ৰীয় মন্ত্ৰীবৰ্গ, আয়োগৰ উপাধক্ষ্য সুমন বেৰী আৰু আয়োগৰ সদস্যসকল বৈঠকত উপস্থিত থাকে। এই বৈঠকৰ মূল বিষয়বস্তু হৈছে বিকশিত ভাৰত, ২০৪৭ আৰু এই বিষয়বস্তুৰ জৰিয়তে ভাৰতক এখন উন্নত দেশ হিচাপে গঢ়ি তোলাত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে।

এই বৈঠকত বিকশিত ভাৰত দৃষ্টিভংগী সন্দৰ্ভত আলোচনা কৰা হয়। নীতি আয়োগে প্ৰকাশ কৰা অনুসৰি এই পৰিচালন পৰিষদৰ বৈঠকত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত সহযোগিতা বৃদ্ধি আৰু অংশীদাৰিত্ব শাসনৰ বিষয়ে আলোচনা কৰা হয়। ইয়াৰ জৰিয়তে গ্ৰাম্য আৰু নগৰাঞ্চলৰ বাসিন্দাসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লক্ষ্য লোৱা হৈছে। এই বৈঠকত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বৰ বাবে ৰাজ্যসমূহে ল'বলগীয়া ভূমিকা সন্দৰ্ভতো বিস্তৃত আলোচনা কৰা হয়। আয়োগে লগতে প্ৰকাশ কৰে যে, মুঠ ঘৰুৱা উৎপাদন পাঁচ ট্ৰিলিয়ন আমেৰিকান ডলাৰ পাৰ কৰাৰ লক্ষ্য লৈ ভাৰত সম্প্ৰতি বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হোৱাৰ দিশে আগবাঢ়িছে। লগতে ভাৰতে ২০৪৭ চনৰ ভিতৰত ৩০ ট্ৰিলিয়ন আমেৰিকান ডলাৰ অৰ্থনীতিত উপনীত হোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। প্ৰতিমাহে প্ৰচাৰিত এই অনুষ্ঠানৰ এয়া হ'ব ১১২ সংখ্যক খণ্ড। আনহাতে একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পাছত শ্ৰী মোদীৰ এয়া হ'ব মন কী বাতৰ দ্বিতীয়টো খণ্ড। এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে এয়াৰ নিউজ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপ যোগে প্ৰচাৰিত হ'ব। এই অনুষ্ঠান পোনপটীয়াভাৱে এয়াৰ নিউজ, ডি ডি নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য সম্প্ৰচাৰ

মন্ত্ৰালয়ৰ ইউটিউব চেনেলটো শুনিবলৈ পোৱা যাব। আকাশবাণীয়ে এই অনুষ্ঠানৰ পাছতে আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০

ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত চলি থকা ৰাষ্ট্ৰীয় শিক্ষা সপ্তাহ উপলক্ষে দেশৰ লগতে ৰাজ্যৰ বিভিন্ন কেন্দ্ৰীয় বিদ্যালয়সমূহত বৃক্ষৰোপণ কাৰ্যসূচী পালন কৰা হয়। **মাতৃৰ নামত এটা গছপুলি** শীৰ্ষক এই বৃক্ষৰোপণ কাৰ্যসূচীৰ অধীনত কেন্দ্ৰীয় বিদ্যালয় গোৱালপাৰাৰ শিক্ষাৰ্থীসকলে মাতৃৰ উপস্থিতিত বিদ্যালয়খনৰ চৌহদত একোডালকৈ গছপুলি ৰোপণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানমৰ্মে মাতৃৰ প্ৰতি সন্মান জনোৱাৰ লগতে পাৰিপাৰ্শ্বিকতাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যেৰে কেন্দ্ৰীয় বিদ্যালয় গোৱালপাৰাই এই বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। কাৰ্যসূচীত বিদ্যালয়খনৰ অধ্যক্ষ শিৱপ্ৰকাশ শৰ্মাৰ লগতে অন্যান্য শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। একেদৰে খানাপাৰা কেন্দ্ৰীয় বিদ্যালয়তো প্ৰধানমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ছাত্ৰ-ছাত্ৰীসকলে মাতৃৰ উপস্থিতিত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উদ্যোগত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে।

০০০

উত্তৰ পূৰ সীমান্ত ৰেলৱেই মাল পৰিবহন উন্নত কৰাৰ লগতে গ্ৰাহকৰ সৈতে সম্পৰ্ক উন্নত কৰাৰ উদ্দেশ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। এই পদক্ষেপৰ অংশ হিচাপে বিভিন্ন খণ্ডৰ গ্ৰাহকৰ দ্বাৰা বিভিন্ন সামগ্ৰী সহজে পৰিবহন কৰাৰ সুবিধা প্ৰদানৰ বাবে জুনৰ সময়ছোৱাত অন্তৰ্মুখী আৰু বহিৰ্মুখী উভয় সামগ্ৰীৰ পৰিবহন উপলব্ধ কৰোৱাৰ বাবে আৰু কেইটামান ষ্টেছন মুকলি কৰা হৈছে। সেইদৰে গ্ৰাহক সম্পৰ্ক উন্নত কৰিবলৈ আৰু মালবাহী ৰাজহ বৃদ্ধি কৰাৰ উদ্দেশ্যে কাটিহাৰ মণ্ডলৰ অধীনৰ আদিনা ষ্টেছনটো অন্তৰ্মুখী কয়লাৰ পৰিবহনৰ বাবে মুকলি কৰা হয়। ইপিনে, বহিৰ্মুখী বাহৰ পৰিবহনৰ বাবে ৰঙিয়া মণ্ডলৰ অধীনৰ তাতিবাহাৰ ষ্টেছনটো মুকলি কৰা হয়। গ্ৰাহক সম্পৰ্ক উন্নয়ন আৰু নতুন টাৰ্মিনেল মুকলি কৰাৰ ফলত মালবাহী ৰেলৰ লোডিং আৰু আনলোডিং বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ জৰিয়তে অনাগত সময়ত উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ ৰাজহ উপাৰ্জন ভালেখিনি বৃদ্ধি হব বুলি আশা কৰা হৈছে।

০০০

তামুলপুৰ জিলাৰ কুমাৰীকাটাত থকা খাদী আৰু গ্ৰামোদ্যোগ বিদ্যালয়ত অনুষ্ঠিত এমহীয়া বিউটিচিয়ান প্ৰশিক্ষণ পাঠ্যক্ৰমৰ আজি সামৰণি পৰে। তামুলপুৰ আঞ্চলিক গ্ৰামদান সংঘৰ উদ্যোগত আৰু অসম আৰক্ষীৰ বিশেষ শাখাৰ গুৱাহাটীস্থিত মুখ্য কাৰ্যালয়ৰ সহযোগত প্ৰাক্তন বিদ্ৰোহী সংগঠনসমূহৰ পৰিয়ালৰ সদস্যসকলক এই প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষণত অংশগ্ৰহণ কৰা ৩৫ গৰাকী যুৱতীক আজি পাঠ্যক্ৰমৰ সামৰণি উদ্দেশ্যে আয়োজিত অনুষ্ঠানত প্ৰমাণপত্ৰ তথা বিউটিপাৰ্লাৰত ব্যৱহৃত কেতবোৰ সামগ্ৰী বিতৰণ কৰা হয়। অনুষ্ঠানত অসম আৰক্ষীৰ বিশেষ শাখাৰ প্ৰাক্তন উপ মহাপৰিদৰ্শক লুইছ আইন, অসম আৰক্ষীৰ বিশেষ শাখাৰ উপ মহাপৰিদৰ্শক ৰন্না সিঙকে ধৰি শীৰ্ষস্থানীয় আৰক্ষী-বিষয়াবৰ্গৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

বড়ো ভাষাৰ প্ৰথম তিনিমহীয়া আলোচনী **বিবাৰ**ৰ ১০০ বছৰপূৰ্তি উপলক্ষে আজি ধুবুৰী বড়ো এছ'চিয়েছনৰ উদ্যোগত ধুবুৰী জিলা পুথিভঁৰাল প্ৰেক্ষগৃহত এখন সভাৰ আয়োজন কৰা হয়। সভাত পদ্মশ্ৰী সন্মানেৰে সন্মানিত ড০ মংগল সিং হাজোৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। বড়ো ভাষাৰ প্ৰথম তিনিমহীয়া আলোচনীখনৰ শতিকাপূৰ্তি উপলক্ষে সভাত এখন স্মৰণিকা উন্মোচন কৰা হয়। স্মৰণিকাখন উন্মোচন কৰি সাহিত্য অকাডেমী বঁটাপ্ৰাপক জনিল কুমাৰ ব্ৰহ্মাই বড়ো ভাষাৰ উন্নয়ন আৰু বিকাশ সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। উল্লেখযোগ্য যে ১৯২৪ চনৰ এপ্ৰিল মাহত সতীশ চন্দ্ৰ বসুমতাৰীৰ সম্পাদনাত **বিবাৰ**ৰ ধুবুৰীৰ পৰা প্ৰথম প্ৰকাশ হৈছিল।

০০০

ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই আজি নামনি অসমৰ বিভিন্ন ঠাইত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে চলিত প্ৰকল্পসমূহৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। ধুবুৰী জিলাৰ চাপৰ, ৰঙামাটিস্থিত শৰৎ চন্দ্ৰ সিংহ কৃষি মহাবিদ্যালয়ত উপস্থিত হৈ ৰাজ্যপালগৰাকীয়ে মহাবিদ্যালয়খনৰ নৱনির্মিত প্ৰেক্ষাগৃহতো উদ্বোধন কৰে। মহাবিদ্যালয়খনৰ সৈতে সংলগ্ন কৃষি বিজ্ঞান কেন্দ্ৰটো পৰিদৰ্শন কৰি ৰাজ্যপালগৰাকীয়ে কৃষি বিজ্ঞানীসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত ৰাসায়নিক সাৰৰ সলনি জৈৱিক সাৰ প্ৰয়োগৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে ৰাজ্যপাল শ্ৰী কাটাৰীয়াই কৃষিকৰ্মৰে দেশৰ অৰ্থনীতি টনকীয়াল কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

ৰাজ্যপালগৰাকীয়ে আজি চিৰাং জিলাৰ সদৰ কাজলগাঁওস্থিত আয়ুক্তৰ কাৰ্যালয়তো কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিসমূহৰ ৰূপায়ণ তথা কামৰ অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। জিলাখনৰ শীৰ্ষ নিৰাপত্তা বিষয়া আৰু বিভিন্ন বিভাগৰ মুৰব্বীসকল উপস্থিত থকা সভাখনত জিলাখনৰ লগতে ভূটান সীমান্তৰ নিৰাপত্তা সম্পৰ্কীয় বিষয়তো আলোচনা কৰা হয়।

ইয়াৰ লগতে শ্ৰী কাটাৰীয়াই জিলাখনৰ বেংতল মহাবিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সীমান্ত চেতনা মঞ্চৰ পূৰ্বোত্তৰ ৰাজ্যিক অধিৱেশনতো মুখ্য অতিথিৰূপে উপস্থিত থাকে। ভাষণ প্ৰসংগত ৰাজ্যপাল শ্ৰী কাটাৰীয়াই কয় যে, নতুন শিক্ষা নীতিৰ জৰিয়তে শিক্ষাৰ্থীসকলে বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত বিশেষ সহায় লাভ কৰিব। ৰাজ্যপালগৰাকীয়ে লগতে সীমান্ত সুৰক্ষাৰ বাবে সীমান্ত চেতনা মঞ্চৰ কাৰ্যকৰ্তা সকলে লৈ অহা উদ্যোগক বিশেষভাৱে প্ৰশংসা কৰে। অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে সন্মানিত অতিথি হিচাপে উপস্থিত থাকে। ভাষণ প্ৰসংগত শ্ৰী বড়োৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবল নেতৃত্বত উত্তৰ-পূবৰ সৰ্বাংগীণ উন্নতি সাধনত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি মন্তব্য কৰে।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত **কাৰ্গিল বিজয় দিৱসৰ ২৫ বছৰপূৰ্তি** সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰিব। অনুষ্ঠানটিত অৱসৰপ্ৰাপ্ত বিগ্ৰেডিয়াৰ ৰঞ্জিত বৰঠাকুৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০

লখিমপুৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত কালি এদিনীয়া কাৰ্যসূচীৰে লখিমপুৰ আৰ্তৰ ভৱনত জৰুৰীকালীন সময়ত  শিশু মিত্ৰস্থান শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখন

উদ্বোধন কৰি জিলা আয়ুক্ত গায়ত্ৰী দেৱীদাস হ্যালিঙ্গেই দুৰ্যোগৰ সময়ত যাতে শিশুসকলক জটিল পৰিস্থিতিৰ পৰা আঁতৰত ৰাখি মানসিকভাৱে সৱল কৰি ৰাখিব পৰা যায় তাৰ বাবে এটা সুস্থ বাতাবৰণ সৃষ্টি কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

০০০

অসমৰ আধুনিক আৰু সমকালীন শিল্পকলা ক্ষেত্ৰৰ স্বনামধন্য ব্যক্তিত্ব বেণু মিশ্ৰৰ সোঁৱৰণত গুৱাহাটী আৰ্টিষ্ট গিল্ডৰ উদ্যোগত আৰু নুমলীগড় শোধনাগাৰ লিমিটেডৰ পৃষ্ঠপোষকতাত প্ৰদান কৰি অহা বেণু মিশ্ৰৰ সোঁৱৰণি এন আৰ এল বঁটা ২০২৪ আজি ঘোষণা কৰা হয়। এই উদ্দেশ্যেৰে গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত উদ্যোক্তাসকলে বিশিষ্ট চিত্ৰশিল্পী আমিনুল হক আৰু প্ৰতিভাৱান যুৱ চিত্ৰশিল্পী ৰমেন ইংতিক এই বঁটাৰ বাবে মনোনীত কৰা বুলি ঘোষণা কৰে। অহা ১১ আগষ্টত উজানবজাৰত থকা বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াৰ উপস্থিতিত এই বঁটা প্ৰদান কৰা হ'ব।

০০০

মহিলাৰ টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ভাৰত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত শ্ৰীলংকাই পাকিস্তানক ৩ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। কালিৰ খেলখনত ১৪১ ৰানৰ লক্ষ্যৰে খেলা শ্ৰীলংকাৰ দলটোৱে তিনিটা উইকেট আৰু এটা বল বাকী থকা অৱস্থাত জয় লাভ কৰিবলৈ সমৰ্থ হয়। প্ৰথমে বেট ধৰি পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত চাৰি উইকেটৰ বিনিময়ত ১৪০ ৰান সংগ্ৰহ কৰে। শ্ৰীলংকাৰ অধিনায়ক ছোমাৰি আঠাপথ্থুৱে সৰ্বাধিক ৬৩ ৰান কৰে আৰু তেওঁক প্লেয়াৰ অব দ্যা মেছ ঘোষণা কৰা হয়। ভাৰতে প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত বাংলাদেশত ১০ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। ৫৪টা বলতেই ৮১ ৰানৰ লক্ষ্যত উপনীত হৈ ভাৰতে খেলখনত জয়লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত কেৱল ৮০ ৰানহে কৰিবলৈ সমৰ্থ হৈছিল। ভাৰতীয় অপেনাৰ স্মৃতি মন্ধানাই খেলখনত ৩৯টা বলত ৫৫ ৰান সংগ্ৰহ কৰে।

ইফালে ভাৰত আৰু শ্ৰীলংকাৰ পুৰুষৰ দলকেইটাৰ মাজত হ'বলগীয়া তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি শ্ৰীলংকাৰ পাল্লেকলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

০০০

সমাপ্ত